৩ পৃষ্ঠাত

৪ পৃষ্ঠাত

১০ পৃষ্ঠাত


# অসম আদিত্য

৫ জেঠ, ১৯৪৮ শক ■ মঙলবাৰ, ৯ জুন, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, June 9, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ


গাচৰটো ভাৰতীয়
) আইন, ২০১৫-
য়া (২৭) নামৰ
ানিব পৰা গৈছে।
াৰে লৈ ডিব্ৰুগড়
াৰ নিৰ্দেশ দিয়াৰ
ন্ধ কৰাৰ বাবেও
াজিক মাধ্যমত
থ্যৰ সত্যতা চাই
ৰ কৰিলে কঠোৰ
াই দিছে। উল্লেখ্য
বলে গৈ উপযুক্ত
ভ্ৰান্ত কৰা প্ৰৱণতা
াছ ক্লাবৰ তৰফৰ
নাইছে।

## াটক
## কাদিল

তনে কোনো
ৰ প্ৰমাণ পোৱা
য়োজনীয় সকলো
পূৰ্ণ কৰাৰ পিছত
পবাকীক তেওঁৰ
গতাই দিয়ে।

# কানৈ মহাবিদ্যালয়ত আবৃত্তি মহাৰণৰ সামৰণি

**ষ্টাফ ৰিপৰ্টাৰ, ৮ জুন ঃ** অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে জিলা ভিত্তিত এখনি একক কবিতা আবৃত্তি প্ৰতিযোগিতা 'আবৃত্তিমহাৰণ' ৭ জুনত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত হয়। ইতিমধ্যে শাখাৰ দ্বাৰা নিৰ্বাচিত হৈ অহা জিলাখনৰ বিভিন্ন প্ৰান্তৰ সৰ্বমুঠ ১১২ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিত ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি, বিশিষ্ট আবৃত্তিকাৰ ৰিজুমণি শইকীয়া তামুলীয়ে কয়— আবৃত্তিক এক বিদ্যায়তনিক বিষয় হিচাপে প্ৰতিষ্ঠা কৰাৰ লগতে আবৃত্তি শিল্পক জনমানসত প্ৰসাৰিত কৰাই হৈছে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্দেশ্য। প্ৰতিযোগিতাখনি শুভ উদ্বোধন কৰে ডিব্ৰুগড়ৰ সুপৰিচিত ব্যক্তি তথা বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈয়ে। কানৈয়ে এনে পদক্ষেপৰ বাবে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদক প্ৰশংসা কৰাৰ লগতে ড০ ভূপেন হাজৰিকাৰ মানৱতাবাদী মহত্বক শ্ৰদ্ধাৰে স্মৰণ কৰে। শুভেচ্ছামূলক বক্তব্যত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি তথা বিশিষ্ট সাহিত্যিক ড০ শশীকান্ত শইকীয়াই কয়— আবৃত্তি হ'ল সাহিত্যক কাণেৰে শুনা আৰু হৃদয়ৰ অনুভৱৰ এক অনন্য কলা। ই শিশুৰ পৰা বৃদ্ধলৈকে সকলোৰে বৌদ্ধিক আৰু মানসিক উত্তৰণত এক সঞ্জীৱনী সুধাৰ দৰে কাম কৰে। তেওঁ কয়— আবৃত্তি চৰ্চাৰ জৰিয়তে ভাষাৰ বিকাশ আৰু স্পষ্ট উচ্চাৰণ, শব্দৰ ভাব আৰু আবেগ নিয়ন্ত্ৰণ, স্মৃতি শক্তি আৰু মনোযোগ বৃদ্ধি, আত্মবিশ্বাস বৃদ্ধি আৰু মঞ্চভীতি দূৰীকৰণ, মানসিক প্ৰশান্তি আৰু মানসিক চাপ হ্ৰাস, সাহিত্য সংস্কৃতিৰ প্ৰতি অনুৰাগ আৰু সু-বক্তা হোৱাত সহায় কৰে। তেওঁ কয়— কবিতা হ'ল মানুহৰ অন্তৰৰ আটাইতকৈ কোমল আৰু গভীৰ অনুভৱৰ প্ৰকাশ, কিন্তু সেই কবিতাক যেতিয়া আবৃত্তিকাৰৰ কণ্ঠৰ জড়িয়তে প্ৰাণ দিয়া হয়, তেতিয়া সি সাধাৰণ মানুহৰ হৃদয় স্পৰ্শ কৰে। তেওঁ কয়— আজিৰ যান্ত্ৰিক যুগত য'ত মানুহ লাহে লাহে ম'বাইল আৰু প্ৰযুক্তি জগতৰ মাজত আবদ্ধ হৈ পৰিছে তেনে সময়তে নতুন প্ৰজন্মক সাহিত্য-সংস্কৃতিৰ এই সুন্দৰ মাধ্যমটোৰ প্ৰতি আকৰ্ষিত কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। তেওঁ কয়— সাংস্কৃতিক ইতিহাসত ডিব্ৰুগড় জিলাত ই ইতিহাস সৃষ্টি কৰিব আৰু নতুন মাত্ৰা সংযোগ হ'ব। তেওঁ কয়— সাম্প্ৰতিক অসমীয়া ভাষাৰ সংকটৰ মুহূৰ্তত আছে তাৰ বিপৰীতে এই আবৃত্তি চৰ্চাই ভাষাটোক শক্তিশালী কৰিব আৰু জীয়াই থকাত সহায় কৰিব। ডিব্ৰুগড় জিলাৰ অন্তৰ্গত দুলীয়াজান শাখা, ভাদৈ পাঁচআলি শাখা, নামৰূপ শাখা, মহমাৰী শাখা, ডিব্ৰুগড় মহানগৰ শাখা, চাবুৱা শাখা, মানকটা শাখা, কুমাৰণীচিগা শাখা আৰু শংকৰদেৱ শাখাৰ পৰা নিৰ্বাচিত হৈ অহা প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিত বিচাৰক হিচাপে উপস্থিত থাকে বিশিষ্ট আবৃত্তিকাৰ, নাট্যকৰ্মী ভৈৰৱ কুমাৰ যুকন, বিশিষ্ট আবৃত্তিকাৰ, কবি তথা নাট্যকৰ্মী সুকুমাৰ চেতিয়া আৰু বিশিষ্ট আবৃত্তিকাৰ তথা অনাতাঁৰ ঘোষক ৰাজশ্ৰী বৰুৱা। মুঠ সাতটা শাখাত অনুষ্ঠিত হোৱা আবৃত্তি মহাৰণৰ গজালি শাখাত প্ৰথমস্থান লাভ কৰে স্পৃহা হাতীবৰুৱা, দ্বিতীয় স্থান লাভ কৰে ঋতম ৰাজ হাজৰিকা, তৃতীয় স্থান লাভ কৰে আদ্যাশা চেতিয়াই, কিশলয় শাখাত প্ৰথমস্থান লাভ কৰে দীশা খনিকৰ, দ্বিতীয় স্থান লাভ কৰে দেৱদৰ্শিনী দত্ত, তৃতীয়স্থান লাভ কৰে পৰিধি কলিতাই, জোনাকী শাখাত প্ৰথমস্থান লাভ কৰে আৰ্হি চেতিয়া, দ্বিতীয় স্থান লাভ কৰে অয়না সুমন কলিতা, তৃতীয় স্থান লাভ কৰে অনুসূয়া বৰাই, ৰামধেনু শাখাত প্ৰথমস্থান লাভ কৰে অনিন্দিতা বৰুৱা, দ্বিতীয়স্থান লাভ কৰে প্ৰবাহিনী গগৈ, তৃতীয়স্থান লাভ কৰে ৰুমী চেংমা বৰগোহাঁয়ে, মুকলি শাখাত প্ৰথমস্থান লাভ কৰে ডিম্পী বৰশইকীয়া, দ্বিতীয়স্থান লাভ কৰে ডিম্বেশ্বৰ চেতিয়া, তৃতীয় স্থান লাভ কৰে স্মৃতা বৰুৱা দত্তই, প্ৰশিক্ষক শাখাত প্ৰথমস্থান লাভ কৰে পুষ্পাঞ্জলি পৰাশৰ, দ্বিতীয় স্থান লাভ কৰে লিপিকা নেওগ, তৃতীয় স্থান লাভ কৰে ৰুবী গগৈয়ে, প্ৰবীণ শাখাত প্ৰথমস্থান লাভ কৰে পদ্মা বুঢ়াগোহাঁই, দ্বিতীয় স্থান লাভ কৰে বিবি বড়া, তৃতীয় স্থান লাভ কৰে ৰেখা গগৈয়ে। দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত আবৃত্তি মহাৰণ প্ৰতিযোগিতাখনি পৰিচালনাত সহায় কৰে মিনাক্ষী শৰ্মা আৰু বিতুমণি যুকনে। সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই আৰু সাংগঠনিক সম্পাদক নীলাভ নয়ন বৰদলৈয়ে।




# োৱাং সোনোৱাল চেৰিটেবল ট্ৰাষ্ট
# কা বিদ্যালয়লৈ ডেস্ক-বেঞ্চ পৰিষদৰ



মাজ্ৰাৰীদেৰে শিক্ষাৰ্থীসকলক উদ্দেশ্যি বিভিন্ন